# MEDIA GALLERY OF NAGAON G.N.D.G. COMMERCE COLLEGE, NAGAON, ASSAM

## Freshman Social 2021-22 on 19-02-2022.

০২২ Dainik Gana Adhikar 12 Guwahati, Sunday, 20 February, 2022 RNI No. 63550/95 ● Website : www.ganaadhikar.com

# নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাত ড° সব্যসাচী মহন্ত

## নৈতিকতা-মূল্যবোধৰ শিক্ষাৰ অভাৱত দেশত বৃদ্ধাশ্ৰম-শিশুগৃহৰ সংখ্যা বৃদ্ধি হৈছে



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও, ১৯ ফেব্ৰুৱাৰী :** 'ছাত্ৰ-ছাত্ৰীসকল দেশৰ সম্পদ। তেওঁলোকৰ শিক্ষা আৰু কৰ্মই দেশৰ ভৱিষ্যৎ নিৰূপণ কৰে। বিশ্বায়ণ আৰু দ্ৰুত প্ৰযুক্তিগত উন্নয়নে শিক্ষাৰ্থীৰ মন আৰু আচৰণত প্ৰভাৱ পেলাইছে।'— এই মন্তব্য গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা নিবন্ধকাৰ ড° সব্যসাচী মহন্তৰ। আজি নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাৰ মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ড° মহন্তই বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ মাজত দেখা দিয়া পৰিৱৰ্তন আৰু পৰিৱৰ্তিত আচৰণক লৈ অভিভাৱকসকল গভীৰভাৱে চিন্তিত বুলি উল্লেখ কৰি লগতে কয় যে আজিৰ ছাত্ৰ-ছাত্ৰীসকলক নম্বৰ সৰ্বস্ব শিক্ষা গ্ৰহণ কৰাত গুৰুত্ব প্ৰদান কৰা দেখা গৈছে। কিন্তু নম্বৰ সৰ্বস্ব শিক্ষাৰ লগতে যে নৈতিকতা আৰু মানবীয় প্ৰমূল্যবোধৰ শিক্ষা ল'ব লাগে, সেই কথা আজিৰ নৱ প্ৰজন্মই বহু সময়ত পাহৰি গৈছে। সকলোৱে কেৱল নম্বৰৰ প্ৰতিযোগিতাৰ পিছত দৌৰিছে। আচলতে শিক্ষাক প্ৰজ্ঞাৰ সাধনা হিচাপে লৈ আমি আগবাঢ়িব লাগিব। যাৰ বাবে নৈতিকতা আৰু মানবীয় প্ৰমূল্যবোধৰ অভাৱত দেশত বৃদ্ধাশ্ৰম আৰু শিশুগৃহৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। সেয়ে এই সন্দৰ্ভত আত্ম বিশ্লেষণৰ সময় আহি পৰিছে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মৃগাংক শইকীয়াই সভাপতিত্ব কৰা সভাখনত অষ্টম অসম ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কমাণ্ডিং বিষয়া কৰ্ণেল অমৰ সিঙে কয় যে আমি প্ৰত্যেকেই প্ৰতিদিনে দেশৰ ভালৰ হকে চিন্তা কৰিব লাগে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক দেশৰ হকে কাম কৰাৰ লগতে এগৰাকী সু-নাগৰিক হিচাপে নিজকে গঢ়ি তুলিবলৈ আহ্বান জনায়। অনুষ্ঠানত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ প্ৰশান্ত হাজৰিকাকে প্ৰমুখ্যে কৰি ভালেকেইগৰাকী শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ইয়াৰ পূৰ্বে পুৱা পতাকা উত্তোলনেৰে দিনজোৰা কাৰ্যসূচীৰে আৰম্ভ হোৱা নৱাগত আদৰণী উপলক্ষে বিয়লি এটা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

## 28-02-22: District Level Neighborhood Youth Parliament

# ...খন আসনেহ বিজেপি দখল কৰাৰ দাবী প্ৰাক্তন বিধায়কৰ

...যোগদান কৰি বিজেপিৰ সুকুমাৰ সৰকাৰক সমৰ্থন জনায়। তেওঁ ইয়াকো কয় : গোলকগঞ্জ কংগ্ৰেছমুক্ত হোৱাটো নিশ্চিত। কংগ্ৰেছে দহগৰাকী প্ৰাৰ্থীয়ে দিব পৰা নাই। যি ছয়জনক প্ৰাৰ্থিত্ব দিছে সেইবোৰো বিজেপিৰ টিকট নোপোৱাৰ কাৰণে কংগ্ৰেছৰ টিকট লৈছে। এখোপ আগবাঢ়ি তেওঁ কয় : অকল গোলকগঞ্জই নহয় ধুবুৰী জিলাতেই এখনো আসন নাপায় কংগ্ৰেছে। আনহাতে পৌৰসভাখনৰ নিৰ্বাচনৰ পৰ্যবেক্ষকৰ দায়িত্বত থকা দেৱ প্ৰসাদ সিংহই কয়, পূৰ্বৰ বিধায়ক অশ্বিনী ৰায় সৰকাৰে জয়ী হৈয়ে প্ৰতিশ্ৰুতি দিছিল গোলকগঞ্জক পৌৰসভাৰ মৰ্যাদা দিব আনহাতে গোলকগঞ্জ নগৰ সংলগ্ন গংগাধৰ নদীৰ ওপৰৰ দ্বিতীয়খন দলং তেওঁৰ দিনত আৰম্ভ হৈ বৰ্তমান উদ্বোধনৰ অপেক্ষাত। বিজেপিয়ে কোনো প্ৰতিশ্ৰুতি দি ভোট নিবিচাৰে। বিজেপিক ৰাইজে ভোট দিব বিগত দিনৰ উন্নয়ন লক্ষ্য কৰি। উল্লেখ্য যে ৪ নং ৱাৰ্ডত ইতিমধ্যে বিজেপি প্ৰাৰ্থী নৱমী ৰায় বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে।

# নৱ প্ৰজন্মই দেশক নেতৃত্ব দিব পৰা জ্ঞান আহৰণ কৰিব লাগিব : নগাঁৱত ড° মৃগাংক শইকীয়া


**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও, ২৮ ফেব্ৰুৱাৰী :** 'ছাত্ৰ-ছাত্ৰীসকল দেশৰ ভৱিষ্যৎ। সেয়ে দেশৰ সৰ্বাংগীণ উন্নয়নৰ অংশীদাৰ হ'বলৈ তেওঁলোকক আমি এতিয়াৰে পৰাই প্ৰস্তুত কৰি তুলিব লাগিব'— এই মন্তব্য নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ নৱ নিযুক্ত অধ্যক্ষ ড° মৃগাংক শইকীয়াৰ। ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰণালয়ৰ অধীনস্থ নেহৰু যুৱ কেন্দ্ৰ নগাঁও আৰু স্বেচ্ছাসেৱী অনুষ্ঠান লক্ষ্যৰ উদ্যোগত আজি নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত জিলা ভিত্তিক প্ৰতিৱেশী যুৱ সংসদ অনুষ্ঠানটি উদ্বোধন কৰি দিয়া ভাষণত অধ্যক্ষ ড° মৃগাংক শইকীয়াই লগতে কয়, নৱ প্ৰজন্মই দেশক নেতৃত্ব দিব পৰা জ্ঞান আহৰণ কৰিব লাগিব। তাৰ বাবে কঠোৰ অধ্যয়ন আৰু পৰিশ্ৰম কৰিব লাগিব। যুৱক-যুৱতীক আমি সঠিক দিকদৰ্শন দি আগুৱাই নিয়াৰ বাবে উদ্বুদ্ধ কৰিব লাগিব। ডেৰ শতাধিক যুৱক-যুৱতী আৰু মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰা উক্ত অনুষ্ঠানটোৰ আঁত ধৰে অধ্যাপিকা ড° জোনালী শৰ্মাই। অনুষ্ঠানটোৰ মূল চাৰিটা বিষয় ক্ৰমে শিক্ষাগ্ৰহণত বিজ্ঞান আৰু প্ৰযুক্তিৰ ভূমিকা, কৌশল, শ্ৰমিক কল্যাণ আৰু আত্মনিৰ্ভৰশীল ভাৰত, উদ্যমিতা, চহৰ উন্নয়নত পানী যোগান আৰু অনাময় আঁচনিৰ ওপৰত সমল ব্যক্তি ক্ৰমে অধ্যাপক মিন্টু গায়ন, ৰণদীপ নন্দি, সমাজকৰ্মী পংকজজ্যোতি হাজৰিকা আৰু অধ্যাপিকা বন্তি কলিতাই আলোচনা দাঙি ধৰে। অনুষ্ঠানত নেহৰু যুৱ কেন্দ্ৰৰ জিলা সমন্বয়ক প্ৰমথেশ চক্ৰৱৰ্তীয়ে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি আলোচনা আগবঢ়ায়।



## 03-03-22: Awareness programme on Pediatric Cancer

# পলাশনিত শিশুৰ কৰ্কট ৰোগ সম্পৰ্কীয় সজাগতা সভা

বাতৰি কাকত ব্যুৰ', নগাঁও,৫ মাৰ্চঃ নগাঁৱৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান নগাঁও গোপীনাথ দেব গোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ উদ্যোগত আৰু লায়ন্স ক্লাবৰ সহযোগত মহাবিদ্যালয়খনৰ প্ৰতিপালিত গাঁও পালশনিত অলপতে শিশুৰ কৰ্কট ৰোগ সম্পৰ্কীয় এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাখনত মুখ্য সমল ব্যক্তি হিচাপে উপস্থিত থাকি শিশু




ৰোগ বিশেষজ্ঞ চিকিৎসক ডাঃ আকাশী হাজৰিকাই নিজৰ ভাষণত কয়, কৰ্কট ৰোগৰ প্ৰাৰম্ভিকতে ইয়াৰ চিনাক্তকৰণে এই ৰোগ নিৰ্মূলৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হয়। চিকিৎসকগৰাকী এনে ৰোগৰ লক্ষণ দেখা দিয়াৰ লগে লগেই চিকিৎসকৰ পৰামৰ্শ ল'বলৈ অভিভাৱক সকলক আহ্বান জনায়। প্ৰায় ডেৰ শতাধিক অভিভাৱক বাইজ উপস্থিত থকা সভাখনত উদ্যোক্তা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ মৃগাংক শইকীয়াই কয়, যিকোনো ৰোগৰ নিৰাময়ৰ বাবে সঠিক সময়ত চিনাক্ত কৰি উপযুক্ত চিকিৎসা কৰাটো অতিকৈ জৰুৰী। সময় মতে চিকিৎসা কৰিব নোৱাৰাৰ বাবে বহু লোক মৃত্যুমুখত পৰিবলগা হয় বুলি তেওঁ উল্লেখ কৰে। লায়ন্স ক্লাবৰ সভানেত্ৰী মালা শৰ্মা বৰদলৈয়ে সভাপতিত্ব কৰা সভাত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ প্ৰশান্ত হাজৰিকাকে ধৰি অধ্যাপক-অধ্যাপিকাসহ বহু কেইগৰাকী গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

# ...কী যুৱতীক পৰিকল্পিত হত্যা কৰি চেষ্টাঃচাৰিজনৰ বিৰুদ্ধে গোচৰ ৰুজু

...টু পামাৰী গাঁৱৰ ... একেখন গাঁৱতে ... হাইয়ে পলুৱাই ... ৰ্কীৰ হোৱা নাছিল ... স হোৱাৰ পাছতহে ... বিবাহ পাশত আবদ্ধ ... ৰি যুৱতী গৰাকীক ... আব্দুল হাইৰ ... থকাৰ পাছত ২৭ ... নকভাবে প্ৰেমিক

আব্দুল হাইৰ ঘৰতে চীপ লোৱা অৱস্থাত উদ্ধাৰ হয় যুৱতী গৰাকী। লগে লগে যুৱতী গৰাকীক সংকটজনক অৱস্থাত জি এম চি এইছত ভৰ্তি কৰোৱা হয় যদিও প্ৰায় চাৰিদিন মৃত্যুৰ সৈতে যুঁজি জি এম চি এইছৰ বিচনাতে অৱশেষত মৃত্যুবৰণ কৰে যুৱতী গৰাকী। ইফালে যুৱতী গৰাকীৰ এই মৃত্যু সহজ ভাবে মানি ল'ব পৰা নাই পিতৃ পৰিয়ালে। পিতৃ পৰিয়ালৰ অভিযোগ প্ৰেমিক আব্দুল হাইৰ লগতে তেওঁৰ প্ৰথমা পত্নী আৰু পৰিয়ালৰ লোকে যুৱতী গৰাকীক যৌতুকৰ বাবে হত্যা কৰি ৰূপ দিছে আত্মহত্যাৰ। ইতিমধ্যে ঘটনা সন্দৰ্ভত টুপামাৰী আৰক্ষী চকীত আব্দুল হাই, তেওঁৰ প্ৰথমা পত্নী জয়নব নেছা, চামাদ তালুকদাৰ আৰু শ্বহিদ আলীৰ বিৰুদ্ধে ৰুজু কৰা হৈছে গোচৰ। অচিৰেই দোষীক কৰায়ত্ত কৰি শাস্তিৰ দাবী জনাইছে পিতৃ পৰিয়ালে। তদন্ত সাপেক্ষে দোষীৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনে কেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

# कैंसर को लेकर जागरूकता कार्यक्रम का आयोजन



**नगांव, 3 मार्च (ख.सं)।** नगांव शहर के नजदीकी इलाके पलाशानी एलपी स्कूल में नगांव गोपीनाथ देव गोस्वामी वाणिज्य महाविद्यालय और नगांव लायंस क्लब के संयुक्त तत्वावधान में बच्चों के बीच कैंसर को लेकर एक जागरूकता कार्यक्रम का आयोजन किया गया। इस अवसर पर स्कूल की प्रधानाध्यापिका दीपा बोरा के साथ पलाशानी इलाके के कई लोग उपस्थित थे। इस कार्यक्रम को सफल बनाने में नगांव लायंस क्लब के अध्यक्ष माला शर्मा बरदलै, गोपीनाथ देव गोस्वामी वाणिज्य महाविद्यालय के अध्यक्ष डॉ. मृगांग सैकिया, जितेन अगरवाला, पवन बोरा, विश्वजीत महंत, गुरुचरण सिंह, जोनाली शर्मा, प्रणब दास, हरभजन सिंह, बसंत बरदलै, इनामुल मजीद, डॉ. पार्थ भुइयां, प्रशांत हजारिका, प्रिधारा गार्ग, बंती कलिता, बीजुमनी पाठक, भारतीय नाहटा, हिम्मत सिंह सोलंकी, नंदिता दास का भरपूर सहयोग रहा। इस अवसर पर शिशु विशेषज्ञ डॉक्टर आकाशी हजारिका ने बड़े ही सुंदर ढंग से कैंसर रोग से बचाव के बारे में अपने विचार रखे।

## 03-03-22: Awareness programme on Pediatric Cancer

# নগাঁৱত সজাগতা সভা

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও, ৩ মাৰ্চ ঃ** নগাঁৱৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান নগাঁও গোপীনাথ দেৱ গোস্বামী বানিজ্য মহাবিদ্যালয়ৰ উদ্যোগত আৰু লায়ন্স ক্লাৱৰ সহযোগত মহাবিদ্যালয়খনৰ প্ৰতিপালিত গাঁও পালশনিত কালি শিশুৰ কৰ্কট ৰোগ সম্পৰ্কীয় এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাখনত মুখ্য সমল ব্যক্তি হিচাপে উপস্থিত থাকি শিশু ৰোগ বিশেষজ্ঞ চিকিৎসক ডাঃ আকাশী হাজৰিকাই নিজৰ ভাষণত কয়, “কৰ্কট ৰোগৰ প্ৰাৰম্ভিকতে ইয়াৰ চিনাক্তকৰণে এই ৰোগ নিৰ্মূলৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হয়। চিকিৎসকগৰাকী এনে ৰোগৰ লক্ষণ দেখা দিয়াৰ লগে লগেই চিকিৎসকৰ পৰামৰ্শ লবলৈ অভিভাৱক সকলক আহ্বান জনায়। প্ৰায় ডেৰ শতাধিক অভিভাৱক ৰাইজ উপস্থিত থকা সভাখনত উদ্যোক্তা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ মৃগাংক শঞ্জইকীয়াই কয়, যিকোনো ৰোগৰ নিৰাময়ৰ বাবে সঠিক সময়ত চিনাক্ত কৰি উপযুক্ত চিকিৎসা কৰাটো অতিকৈ জৰুৰী। সময় মতে চিকিৎসা কৰিব নোৱাৰাৰ বাবে বহু লোক মৃত্যুমুখত পৰিবলগা হয় বুলি তেওঁ উল্লেখ কৰে। লায়ন্স ক্লাৱৰ সভানেত্ৰী মালা শৰ্মা বৰদলৈয়ে সভাপতিত্ব কৰা সভাত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ প্ৰশান্ত হাজৰিকাকে ধৰি অধ্যাপক-অধ্যাপিকাসহ বহু কেইগৰাকী গন্য মান্য ব্যক্তি উপস্থিত থাকে।




## হেকৰাত মন্দিৰত চুৰি

**গণ বাৰ্তা, নগৰবেৰা, ৩ মাৰ্চ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ মন্দিৰা আৰক্ষী চকীৰ অন্তৰ্গত হেকৰাত যোৱা এক চাঞ্চল্যকৰ চুৰি কাণ্ডৰ ঘটনা পোহৰলৈ অহাত অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে ।নিশা আন্ধাৰৰ সুযোগ লৈ চোৰে হেকৰা অঞ্চলৰ দুখনকৈ মন্দিৰত ছাফাই অভিযান চলায়। চোৰে হেকৰাৰ শিৱমন্দিৰ আৰু বাগেশ্বৰী মন্দিৰৰ মূলগেটৰ তলা ভাঙি ভিতৰত প্ৰবেশ কৰি বৃহৎ পৰিমাণৰ মূল্যৱান সা সামগ্ৰী সহ লুটি নিয়ে সোণৰ আ অলংকাৰৰ লগতে ৰাইজে দান দিয়া বৃহৎ পৰিমাণৰ নগদ ধন। মন্দিৰৰ পূজাৰীয়ে ৰাতিপুৱাৰ ভাগত পুজা দিবলৈ অহাত পোহৰলৈ আহে এই সমগ্ৰ চুৰি কাণ্ডৰ ঘটনা। পিছত এই চাঞ্চল্যকৰ চুৰি কাণ্ড সন্দৰ্ভত আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষীৰ এটি দল উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে উক্ত চুৰি কাণ্ডৰ ঘটনাৰ জোৰদাৰ তদন্ত অব্যাহত ৰাখিছে।

Free Eye checkup in collaboration with ERC (Eye Research Center, Nagaon) visited by Optometrist Arindam Khanikar at the adopted village Karaiyani on 08-03-2022

# নগাঁৱৰ কৰৈয়নীত এন এছ এছৰ সাতদিনীয়া বিশেষ শিবিৰৰ সফল সামৰণি




**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ৮ মাৰ্চ ঃ** মধ্য অসমৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান নগাঁও গোপীনাথ দেৱগোস্বমী বানিজ্য মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি(এনএছএছ)ৰ উদ্যোগত মহাবিদ্যালয়খনৰ প্ৰতিপালিত গাঁও কৰৈয়নীত যোৱা ২৮ ফেব্ৰুৱাৰীৰ পৰা সাতদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বিশেষ শিবিৰৰ কালি সামৰণি পৰে। তদুপলক্ষে প্ৰতিদিনাই কৰৈয়নীত স্বচ্ছ ভাৰত অভিযান, বিনামূলীয়া চকু চিকিৎসা শিবিৰ, নাৰী সবলীকৰণৰ ওপৰত আলোচনা সভা, বৃক্ষ ৰোপণ আৰু ক'ণ ক'ণ ছাত্ৰ-ছাত্ৰীক স্বেচ্ছাসেৱকৰ দ্বাৰা পাঠদান আদি অনুষ্ঠিত হয়। চকু চিকিৎসা শিবিৰত অংশগ্ৰহণ কৰে চকু বিশেষজ্ঞ অৰিন্দম খনিকৰ আৰু নাৰী সবলীকৰণ অনুষ্ঠানত শিশু সুৰক্ষা আদালতৰ সদস্য জ্যোৎস্না গোস্বামী উপস্থিত থাকে। কালি অনুষ্ঠিত শিবিৰৰ সামৰণি অনুষ্ঠানটি স্থানীয় হেঙুলীয়াচুক নিম্ন বুনিয়াদী বিদ্যালয়ত অনুষ্ঠিত হয়। এন এছ এছৰ আচনি বিষয়া ভূপেশ টুমুঙে আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড: মৃগাংক শঞ্জইকীয়া, উপাধ্যক্ষ প্ৰশান্ত কুমাৰ হাজৰিকা, নিম্ন বুনিয়াদী বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কেবা শতাধিক স্থানীয় ৰাইজ উপস্থিত থাকে। মনোৰঞ্জনধৰ্মী সামৰণি অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলে গীত-মাত, কবিতা আবৃত্তি আদি প্ৰদৰ্শন কৰি নিজৰ প্ৰতিভা দাঙি ধৰাৰ চেষ্টা কৰে।

**08-03-22: International Women's Day Celebration**

# কৰৈয়নীত আন্তৰ্জাতিক নাৰী দিৱস

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও, ১০ মাৰ্চ ঃ** "পৰিকল্পনা অবিহনে সফল হ'ব নোৱাৰি। পৰিকল্পনা থাকিলে যিকোনো কামত নিশ্চিত ভাৱে সফলতা লাভ কৰিব পাৰি।"- এই মন্তব্য ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযানৰ ৰাজ্যিক পৰামৰ্শদাতা ড: অৰুনিমা দেৱ চৌধুৰীৰ। নগাঁও গোপীনাথ দেৱ গোস্বামী বানিজ্য মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত মঙ্গলবাৰে মহাবিদ্যালয়খনৰ প্ৰতিপালিত গাঁওস্থএও কৰৈয়নী ছলাপাৰ প্ৰাথমিক বিদ্যালয় প্ৰেক্ষাগৃহত আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে অনুষ্ঠিত "গ্ৰাম্য অৰ্থনীতিত মহিলাৰ ভূমিকা"- শীৰ্ষক আলোচনা সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ড:চৌধুৰীয়ে লগতে কয়, দৰাচলতে মহিলা সকলে আজৰি সময়খিনি পৰচৰ্চা কৰি অতিবাহিত কৰে। কিন্তু এয়া কৰা উচিত হয়। তেওঁলোকে নিজৰ ঘৰখনতে শাক- পাচলি খেতি কৰি বা অন্য কোনো ক্ষুদ্ৰ ব্যৱসায় কৰি স্বাৱলম্বী হ'ব পাৰে। ইয়াৰ বাবে নিজৰ মনটো সবল কৰি তোলাৰ লগতে লাগিব ধৈৰ্য আৰু একাগ্ৰতা। তেওঁ মহিলা সকলক হীনমন্যতাত ভুগিব নালাগে বুলি উল্লেখ কৰি কয়, সততা আৰু মানদণ্ড বজাই ৰাখি কাম কৰিলে প্ৰতিটো কামত সফলতা লাভ কৰিব যিয়ে গ্ৰাম্য অৰ্থনীতিত প্ৰভাৱ পেলাব পাৰে। পুৱাৰ ভাগত এই দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা, মহিলা সকলে কবিতা আবৃত্তি কৰাৰ লগতে গীত মাত প্ৰদৰ্শন কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড: মৃগাংক শইকীয়াই সঞ্চালনা কৰা আলোচনা সভাত অধ্যাপক মৃদুল মহন্ত, অধ্যাপিকা ক্ৰমে বিজুমনি পাঠক, ড: ভাস্বতি শইকীয়া, শিক্ষয়িত্ৰী হিমীন শইকীয়া, সাংবাদিক নাজিম আহমেদকে প্ৰমুখ্য কৰি ভালে কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় প্ৰায় শতাধিক মহিলাই অংশগ্ৰহণ কৰে।

# কৰৈয়নীত আন্তৰ্জাতিক নাৰী দিৱসত ডঃ অৰুণিমা দেৱ চৌধুৰী




**বাতৰি কাকত ব্যুৰ',নগাঁও, ৯ মাৰ্চঃ** 'পৰিকল্পনা অবিহনে সফল হ'ব নোৱাৰি। পৰিকল্পনা থাকিলে যিকোনো কামত নিশ্চিত ভাবে সফলতা লাভ কৰিব পাৰি।'এই মন্তব্য ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযানৰ ৰাজ্যিক পৰামৰ্শদাতা ডঃ অৰুণিমা দেৱ চৌধুৰীৰ। নগাঁও গোপীনাথ দেৱ গোস্বামী বানিজ্য মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত কালি মহাবিদ্যালয়খনৰ প্ৰতিপালিত গাঁওস্থ কৰৈয়নী ছলাপাৰ প্ৰাথমিক বিদ্যালয় প্ৰেক্ষাগৃহত আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে অনুষ্ঠিত 'গ্ৰাম্য অৰ্থনীতিত মহিলাৰ ভুমিকা' শীৰ্ষক আলোচনা সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ডঃ চৌধুৰীয়ে লগতে কয়, দৰাচলতে মহিলা সকলে আজৰি সময়খিনি পৰচৰ্চা কৰি অতিবাহিত কৰে। কিন্তু এয়া কৰা উচিত হয়। তেওঁলোকে নিজৰ ঘৰখনতে শাক- পাচলি খেতি কৰি বা অন্য কোনো ক্ষুদ্ৰ ব্যৱসায় কৰি স্বাৱলম্বী হ'ব পাৰে। ইয়াৰ বাবে নিজৰ মনটো সবল কৰি তোলাৰ লগতে লাগিব ধৈৰ্য আৰু একাগ্ৰতা। তেওঁ মহিলা সকলক হীনমান্যতাত ভুগিব নালাগে বুলি উল্লেখ কৰি কয়, সততা আৰু মানদণ্ড বজাই ৰাখি কাম কৰিলে প্ৰতিটো কামত সফলতা লাভ কৰিব যিয়ে গ্ৰাম্য অৰ্থনীতিত প্ৰভাৱ পেলাব পাৰে। পুৱাৰ ভাগত এই দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা, মহিলা সকলে কবিতা আবৃত্তি কৰাৰ লগতে গীত মাত প্ৰদৰ্শন কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ মৃগাংক শইকীয়াই সঞ্চালনা কৰা আলোচনা সভাত অধ্যাপক মৃদুল মহন্ত, অধ্যাপিকা ক্ৰমে বিজুমনি পাঠক, ডঃ ভাস্বতি শইকীয়া, শিক্ষয়িত্ৰী হিমীন শইকীয়া, সাংবাদিক নাজিম আহমেদকে প্ৰমুখ্য কৰি ভালে কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় প্ৰায় শতাধিক মহিলাই অংশগ্ৰহণ কৰে।

# ীক সম্বৰ্ধনা স্বেচ্ছাসেৱী সংগঠন ৰাৰিওৰ্ছৰ



**দেৱজিৎ নাথ, মুছলপুৰ, ৯ মাৰ্চঃ** আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে বাক্সা জিলাৰ মুছলপুৰত কালি স্বেচ্ছাসেৱী সংগঠন ৰাৰিওৰ্ছে বাক্সা আৰক্ষীক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় । স্বেচ্ছাসেৱী সংগঠন ৰাৰিওৰ্ছৰ ফালৰ পৰা বাক্সা জিলাৰ মুছলপুৰস্থ সদৰ থানাত কৰ্মৰত মহিলা আৰক্ষী বিষয়া সকলক একোখনৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় ।এই সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে ৰাৰিওৰ্ছৰ সাধাৰণ সম্পাদক নৱজিৎ কলিতাৰ উপৰিও স্বেচ্ছাসেৱী সংগঠনটোৰ আন কেইবাগৰাকীও বিষয়ববীয়া ।

Closing ceremony of Special Camp (7 days) Organized by NSS Unit of Nagaon GNDG Commerce College

# নগাঁৱৰ কৰৈয়নীত এন এছ এছৰ সাতদিনীয়া বিশেষ শিবিৰৰ সফল সামৰণি




**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও, ৮ মাৰ্চ ঃ** মধ্য অসমৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান নগাঁও গোপীনাথ দেৱগোস্বমী বানিজ্য মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি(এনএছএছ)ৰ উদ্যোগত মহাবিদ্যালয়খনৰ প্ৰতিপালিত গাঁও কৰৈয়নীত যোৱা ২৮ ফেব্ৰুৱাৰীৰ পৰা সাতদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বিশেষ শিবিৰৰ কালি সামৰণি পৰে। তদুপলক্ষে প্ৰতিদিনাই কৰৈয়নীত স্বচ্ছ ভাৰত অভিযান, বিনামূলীয়া চকু চিকিৎসা শিবিৰ, নাৰী সবলীকৰণৰ ওপৰত আলোচনা সভা, বৃক্ষ ৰোপণ আৰু ক'ণ ক'ণ ছাত্ৰ-ছাত্ৰীক স্বেচ্ছাসেৱকৰ দ্বাৰা পাঠদান আদি অনুষ্ঠিত হয়। চকু চিকিৎসা শিবিৰত অংশগ্ৰহণ কৰে চকু বিশেষজ্ঞ অৰিন্দম খনিকৰ আৰু নাৰী সবলীকৰণ অনুষ্ঠানত শিশু সুৰক্ষা আদালতৰ সদস্য জ্যোৎস্না গোস্বামী উপস্থিত থাকে। কালি অনুষ্ঠিত শিবিৰৰ সামৰণি অনুষ্ঠানটি স্থানীয় হেঙুলীয়াচুক নিম্ন বুনিয়াদী বিদ্যালয়ত অনুষ্ঠিত হয়। এন এছ এছৰ আচনি বিষয়া ভূপেশ টুমুঙে আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড: মৃগাংক শঞ্জইকীয়া, উপাধ্যক্ষ প্ৰশান্ত কুমাৰ হাজৰিকা, নিম্ন বুনিয়াদী বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কেবা শতাধিক স্থানীয় ৰাইজ উপস্থিত থাকে। মনোৰঞ্জনধৰ্মী সামৰণি অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলে গীত-মাত, কবিতা আবৃত্তি আদি প্ৰদৰ্শন কৰি নিজৰ প্ৰতিভা দাঙি ধৰাৰ চেষ্টা কৰে।